# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-03-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব।

২। ব্ৰহ্মা অভিযানৰ অংশ হিচাপে ভাৰতীয় বায়ু সেনা বাহিনীৰ ৫ খন বিমান ভূমিকম্প প্ৰভাৱিত ম্যানমাৰৰ য়াংগুন আৰু নেই পি ডাওত উপস্থিত হৈছে।

৩। অসমৰ গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ তুংগত উঠিছে।

৪। মানৱ থক্কৰে বিশ্ব টেবুল টেনিছ ষ্টাৰ কণ্টেণ্ডাৰ প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰা দেশৰ প্ৰথমগৰাকী খেলুৱৈ ৰূপে পৰিগণিত হৈছে।

*আৰু*

৫। গুজৰাট টাইটানছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩৬ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২০ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতে অনুষ্ঠানটোৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰ আৰু ছত্তিশগড় ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত প্ৰধানমন্ত্ৰী মহাৰাষ্ট্ৰৰ নাগপুৰত উপস্থিত হ'ব। তাত তেওঁ স্মৃতি মন্দিৰ দৰ্শন কৰাৰ লগতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰতিষ্ঠাপক

ড০ কেশৱ হেডগেৱাৰ আৰু মাধৱৰাও গলৱাকাৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিব। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে দীক্ষা ভূমি ভ্ৰমণ কৰি ড০ বি আৰ আম্বেডকাৰৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিব। তেওঁ নাগপুৰত মাধৱ নেত্ৰালয় প্ৰিমিয়াম চেণ্টাৰৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি এখন জনসভাতো ভাষণ দিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ ৰাজ্যখনত নতুনকৈ স্থাপন কৰা কেইবাটাও প্ৰকল্প আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

মহাৰাষ্ট্ৰ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী চত্তিশগড়ৰ বিলাসপুৰলৈ যাব। তাত তেওঁ ৩৩ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে এখন জনসভাতো ভাষণ দিব।

০০০০০

ম্যানমাৰত অহা ৭ দশমিক ৭ প্ৰাবল্যৰ শক্তিশালীত ভূমিকম্পত নিহত লোকৰ সংখ্যা এহেজাৰ ৬৪৪ লৈ বৃদ্ধি পাইছে। এই ভূমিকম্পত আহত লোকৰ সংখ্যাও ৩ হাজাৰ ৪০৮ লৈ বৃদ্ধি পাইছে আৰু ১৩৯ জন লোক সন্ধানহীন হৈ আছে। ভূমিকম্পৰ ফলত দেশখনৰ দ্বিতীয় সৰ্ববৃহত চহৰ মান্দলেত সৰ্বাধিক ক্ষয়ক্ষতি হৈছে।

০০০০০

ব্ৰহ্মা অভিযানৰ অংশ হিচাপে ভাৰতীয় বায়ু সেনা বাহিনীৰ ৫ খন বিমান ভূমিকম্প প্ৰভাৱিত ম্যানমাৰৰ য়াংগুন আৰু নেই পি ডাওত উপস্থিত হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বিমান কেইখনে মানৱীয় আৰু দুৰ্যোগ সাহায্য সামগ্ৰী, অৰ্ধসামৰিক ক্ষেত্ৰ এম্বুলেন্স আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ জোৱানসকলক লৈ গৈছে। ভাৰত ম্যানমাৰৰ ৰাজধানীলৈ উদ্ধাৰ কৰ্মী প্ৰেৰণ কৰা প্ৰথমখন দেশৰূপে পৰিগণিত হৈছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ দলটো আজি মান্দলেলৈ ৰাওনা হ'ব। এই দলটো ভূমিকম্পৰ ফলত সৰ্বাধিক ক্ষতিগ্ৰস্ত মান্দলেত উপস্থিত হোৱা প্ৰথমটো উদ্ধাৰকাৰী দল হ'ব। ইয়াৰ পূৰ্বে বায়ু সেনাৰ C-130-J শ্ৰেণীৰ বিমানেৰে হিন্দন ঘাটিৰ পৰা প্ৰায় ১৫ টন সাহায্য সামগ্ৰী ম্যানমাৰলৈ প্ৰেৰণ কৰা হয়। সূত্ৰৰ পৰা জানিব পৰা মতে দেশখনলৈ বিমান আৰু জাহাজেৰে ১৩৭ টন সামগ্ৰী প্ৰেৰণ কৰা হৈছে। ভাৰতীয় সেনাই ভূমিকম্প প্ৰভাৱিত ম্যানমাৰক তাৎক্ষণিকভাৱে মানৱী সাহায্য আগবঢ়োৱাৰ উদ্দেশ্যে আৰম্ভ কৰা ব্ৰহ্মা অভিযানৰ অধীনত বিশেষ এটা চিকিৎসা কাৰ্য বাহিনীয়ো নিয়োজিত কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতি যোগে আগশাৰীৰ শত্ৰুজিৎ ব্ৰিগেডৰ চিকিৎসাকৰ্মীৰ এটা ১১৮ জনীয়া দল নিয়োজিত কৰা বুলি প্ৰকাশ কৰিছে। এই অভিযানৰ অংশ হিচাপে ভাৰতীয় সেনাই ভূমিকম্পত আহত হোৱা লোকসকললৈ তাৎক্ষণিক সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে এটা ৬০ খন বিচনাযুক্ত চিকিৎসা কেন্দ্ৰ স্থাপন কৰিব। কেন্দ্ৰটোত জৰুৰীকালীন অস্ত্ৰোপচাৰ আৰু অত্যাৱশ্যকীয় চিকিৎসা সেৱাৰ ব্যৱস্থা থাকিব। ব্ৰহ্মা অভিযানে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি আৰু বসুধৈব কুটুম্বকম ভাবনাৰক প্ৰতিফলিত কৰিছে।

০০০০০

নতুন দিল্লীত অনুষ্ঠিত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ বাণিজ্য আলোচনাৰ কালি সামৰণি পৰে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক বাণিজ্যিক চুক্তি সম্পাদনাৰ বাবে পৰস্পৰৰ বাবে লাভদায়ক পৰৱৰ্তী পদক্ষেপ সন্দৰ্ভত উভয় দেশ বুজাবুজিত উপনীত হ'ব লাগিব। আলোচনা কালত দুয়োপক্ষই শুল্ক হ্ৰাস কৰা, বিভিন্ন বাধা দূৰ কৰা আৰু যোগন শৃংখলা সুদৃঢ় কৰাকে ধৰি দ্বিপাক্ষিক বাণিজ্যিক সহযোগিতা ঘনিষ্ঠ কৰি তোলা সন্দৰ্ভত মত বিনিময় কৰে।

ooooo

অসমৰ গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। মুখ্যমন্ত্ৰী তথা বিজেপি দলৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই কালি গোৱালপাৰাৰ দুধনৈ আৰু কামৰূপ জিলাৰ বকোত দুখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি আৰু ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ সমৰ্থিত প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

মুখ্যমন্ত্ৰীৰ এই নিৰ্বাচনী সভাত বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ সভাপতি টংকেশ্বৰ ৰাভা, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, গুৱাহাটী সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি আৰু বিধায়ক হেমাংগ ঠাকুৰীয়া উপস্থিত থাকে।

ইপিনে ছয়গাঁৱৰ দোলেডঙাত অনুষ্ঠিত কংগ্ৰেছৰ নিৰ্বাচনী সভাত বিধায়ক ৰেকিবুদ্দিন আহমেদে দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলায়। গোৱালপাৰা জিলাৰ দ্বাৰকা, মাজ-জাখিলী, ডিৰ্মাজাখিলী আৰু দাৰিদুৰি পৰিষদীয় সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাত ৩৬ পৰিষদীয় সমষ্টি আছে। ইয়াৰে তিনিটা সমষ্টিত ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে তিনি গৰাকী প্ৰাৰ্থী জয়ী হৈছে। এই ৩৬টা সমষ্টিৰ ভিতৰত ২৫ টা সমষ্টি অনুসূচীত জনজাতি  আৰু ৬ টা সমষ্টি মহিলাৰ বাবে সংৰক্ষিত। ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি পৰিষদৰ ৬৩০ টা ভোটগ্ৰহণ কেন্দ্ৰত ৪ লাখ ৪৫ হাজাৰ ৫৮৬ গৰাকী ভোটাৰে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ২ লাখ ১৬ হাজাৰ ১৮১ গৰাকী পুৰুষ আৰু ২ লাখ ২৯ হাজাৰ ৩৯৪ গৰাকী মহিলা ভোটাৰ। ৪ এপ্ৰিলত ভোট গণনা কৰা হ'ব।

ooooo

হামাছে গাজাত যুদ্ধ বিৰতিৰ বাবে ইজিপ্ত আৰু কাটাৰে আগবঢ়োৱা নতুন প্ৰস্তাৱ গ্ৰহণ কৰিছে। হামাছৰ মুৰব্বী খলীল অল হয়্যাই কৈছে যে, তেওঁলোকে দুদিন পূৰ্বে লাভ কৰা যুদ্ধ বিৰতিৰ প্ৰস্তাৱ মানি লৈছে। তেওঁ লগতে ইজৰাইলে এই চুক্তি অৱহেলা নকৰে বুলি আশা প্ৰকাশ কৰিছে। প্ৰস্তাৱটোত হামাছে প্ৰতি সপ্তাহে ৫ গৰাকীকৈ ইজৰাইলী পণবন্দীক মুকলি কৰি দিয়াৰ পৰামৰ্শ আগবঢ়োৱা হৈছে।

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেনঞ্জামিন নেতান্যাহুৰ কাৰ্যালয়ে এই প্ৰস্তাৱ লাভ কৰাৰ কথা নিশ্চিত কৰিছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সহায়ত আন এটা প্ৰস্তাৱ প্ৰেৰণ কৰিছে। ইপিনে ইজৰাইলে কালি গাজাত চলোৱা বিমান আক্ৰমণত কমেও ২০ পেলেষ্টাইনী নাগৰিকে প্ৰাণ হেৰুৱাই। ইজৰাইলৰ সেনা বাহিনীয়ে ৰাফা আৰু জেনিনাসহ দক্ষিণ গাজাত ইয়াৰ সুৰক্ষাৰ ক্ষেত্ৰ সম্প্ৰসাৰণ কৰাৰ কথা প্ৰকাশ কৰিছে।

ooooo

ভাৰতৰ মানৱ থক্কৰে বিশ্ব টেবুল টেনিছ ষ্টাৰ কণ্টেণ্ডাৰ প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰা দেশৰ প্ৰথমগৰাকী খেলুৱৈ ৰূপে পৰিগণিত হৈছে। থক্কৰে কালি চেন্নাইত অনুষ্ঠিত কোৱাৰ্টাৰ পৰ্যায়ৰ এখন খেলত অলিম্পিক আৰু বিশ্ব ছেম্পিয়নশ্বিপত পদক বিজেতা দক্ষিণ কোৰিয়াৰ লিম জংহুনক ৩-২ ফলাফলত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে থক্কৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জাৰ্মানীৰ আন্ড্ৰে বেৰ্টল্‌স-মেয়ৰক ৩-২ ফলাফলত পৰাভূত কৰিছিল।

ooooo

গুজৰাট টাইটানছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩৬ ৰানত পৰাস্ত কৰে। খেলখনত গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ছাই সুদৰ্শনৰ ৬৩ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৯৬ ৰান সংগ্ৰহ কৰে। মুম্বাইৰ হৈ হাৰ্ডিক পাণ্ডিয়াই দুটা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৬০ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাইৰ হৈ সূৰ্যকুমাৰ যাদবে ২৮ টা বলত ৪৮ ৰান কৰে। গুজৰাটৰ মহম্মদ ছিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণাই দুটাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত আদি দুখন খেল খেলোৱা হ'ব। বিয়লি চাৰে ৩ বজাত বিশাখাপট্টনমত হ'বলগীয়া প্ৰথমখন খেলত ডেলহী কেপিটেলছ চানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে ৭ বজাত গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ সন্মুখীন হ'ব।

০০০০০

আই এছ এল ফুটবল প্ৰতিযোগিতাত কালি অনুষ্ঠিত এখন খেলত বেংগালুৰু ফুটবল ক্লাবে মুম্বাই চিটী ফুটবল ক্লাবক ৫-০ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। খেলৰ প্ৰথমাৰ্ধৰ ৯ মিনিটত সুৰেশ সিং ৱাংজামে বেংগালুৰুৰ হৈ প্ৰথমটো গ'ল দিয়ে। ইয়াৰ পাছত এডগাৰ মেণ্ডেজে পেনাল্টিৰ সহায়ত দ্বিতীয়টো গ'ল দিয়ে। দলটোৰ হৈ দ্বিতীয়াৰ্ধত উইলিয়াম, সুনীল ছেত্ৰী, জৰ্জ পেৰেৰা ডিয়াজে বাকী তিনিটা গ'ল দিয়ে। দুটা পৰ্যায়ত হ'বলগীয়া ছেমিফাইনেলত বেংগালুৰু ফুটবল ক্লাব গোৱা ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলদুখন ২ এপ্ৰিল আৰু ৬ এপ্ৰিলত খেলোৱা হ'ব।

০০০০০

**সমাপ্ত**